# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 11-08-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অধিক উৎপাদন ক্ষম জলবায়ু অনুকূল তথা জৈৱ পুষ্টিবৰ্ধন শস্যৰ ১০৯টা প্ৰজাতি মুকলি কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে ভূমিস্খলনত বেয়াকৈ ক্ষতিগ্ৰস্ত কেৰালাৰ ৱায়নাডৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

৩। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সুস্থ আৰু শক্তিশালী গণতন্ত্ৰৰ বাবে আলোচনা আৰু সহযোগিতাৰ বাতাবৰণ গঢ়ি তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে।

৪। প্ৰাক্তন বিদেশ মন্ত্ৰী কে. নটৱৰ সিঙৰ দেহাৱসান ঘটিছে।

***আৰু***

৫। ক্ৰীড়া চালিছী আদালতে ৱিনেশ ফোগটক অযোগ্য ঘোষণা কৰা কাৰ্যৰ বিৰুদ্ধে দাখিল কৰা আবেদনৰ ৰায় মঙলবাৰলৈ স্থগিত ৰাখিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অধিক উৎপাদনক্ষম জলবায়ু অনুকূল তথা জৈৱ পুষ্টিবৰ্ধন শস্যৰ ১০৯টা প্ৰজাতি মুকলি কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে খেতিয়ক আৰু বিজ্ঞানীসকলৰ সৈতেও মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে জাৰি কৰা এটা বিবৃতিত এই বুলি কোৱা হৈছে যে, মুকলি কৰিবলগীয়া ১০৯টা প্ৰজাতিৰ ভিতৰত ৩৪ বিধ ব্যাপক এলেকাত ৰোপণ কৰিব পৰা শস্য আৰু ২৭ বিধ উদ্যান শস্য আছে। ব্যাপক এলেকাত ৰোপণ কৰিব পৰা ফচলসমূহৰ ভিতৰত মিলেট, বিভিন্ন খাদ্য শস্য, দানা জাতীয় শস্য, তৈলবীজ, দাইল, কুঁহিয়াৰ, কঁপাহ, আঁহজাতীয় শস্য আৰু অন্য সম্ভাৱনাপূৰ্ণ শস্য আছে। উদ্যানজাতীয় শস্যসমূহৰ ভিতৰত ফলমূল, শাক-পাচলি, ফুল আৰু ঔষধি গছ অন্যতম।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অলপতে হোৱা ভূমিস্খলনত বেয়াকৈ ক্ষতিগ্ৰস্ত কেৰালাৰ ৱায়নাডৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। সামাজিক মাধ্যম এক্স যোগে এই বিপৰ্যয়ক লৈ উদ্বেগ প্ৰকাশ কৰি শ্ৰীমোদীয়ে কয় যে, ৱায়নাডৰ ভূমিস্খলনৰ ঘটনাই সকলোকে ব্যথিত কৰি তুলিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁ ভূমিস্খলনৰ পাছৰে পৰা পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰভাৱিত লোকসকলৰ সহায়ৰ বাবে উপলভ্য সকলো সম্পদ একত্ৰিত কৰিছে। তেওঁ কালি বিমানেৰে অঞ্চলটো পৰিদৰ্শন কৰা বুলিও প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে কালি ৱায়নাড ভ্ৰমণৰ সময়ছোৱাত ভূমিস্খলনৰ বলি হোৱা লোকসকলক সাক্ষাৎ কৰে আৰু ভালেসংখ্যক পৰিয়ালৰ ওপৰত ইয়াৰ গুৰুতৰ প্ৰভাৱৰ কথা স্বীকাৰ কৰে। তেওঁ ব্যক্তিগতভাৱে কেইবাটাও সাহায্য শিবিৰ পৰিদৰ্শন কৰে আৰু আহতসকলৰ সৈতে মত-বিনিময় কৰে। প্ৰধানমন্ত্ৰীয়ে সম্ভাব্য সকলো ধৰণৰ সাহায্য প্ৰদান কৰা হ'ব বুলি আশ্বাস দিয়ে।

বিমানেৰে ক্ষতিগ্ৰস্ত এলেকাসমূহ পৰিদৰ্শন কৰাৰ পাছত শ্ৰীমোদীয়ে বিষয়া আৰু সাহায্য কৰ্মীসকলক সাক্ষাৎ কৰে আৰু তেওঁলোকক সাহায্য প্ৰচেষ্টাৰ বাবে ধন্যবাদ জনায়। তেওঁ কয় যে, কেৰালা চৰকাৰৰ পৰা বিশদ তথ্য লাভ কৰাৰ পাছত কেন্দ্ৰীয় চৰকাৰে অঞ্চলটোত বিদ্যালয় আৰু বাসগৃহকে ধৰি প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণৰ বাবে যাৱতীয় পদক্ষেপ ল'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি টিমোৰ লেষ্টৰ ৰাজধানী ডিলিত দেশখনৰ ৰাষ্ট্ৰপতি ৰামোছ হোৰ্তাই আয়োজন কৰা দি হোৰ্তা শ্ব'ত অংশগ্ৰহণ কৰে। তেওঁ লগতে এটা সমূহীয়া অনুষ্ঠানত দেশখনত বাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকৰ সৈতে মত বিনিময় কৰে। দুয়োখন দেশে অনুন্নত আৰু উন্নয়নশীল দেশৰ উদ্বেগ তথা গণতন্ত্ৰৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ কৰে।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সুস্থ আৰু শক্তিশালী গণতন্ত্ৰৰ বাবে আলোচনা আৰু সহযোগিতাৰ বাতাবৰণ গঢ়ি তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত কালি সংসদত নৱনিৰ্বাচিত সদস্যসকলৰ বাবে আয়োজিত দুদিনীয়া দিক্‌দৰ্শন অনুষ্ঠানত ভাষণ দি অধ্যক্ষ গৰাকীয়ে এইদৰে প্ৰকাশ কৰে। ভাৰতৰ বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ মৰ্যাদাৰ বিষয়ে আলোকপাত কৰি শ্ৰীবিৰলাই সদস্যসকলক গণতান্ত্ৰিক আচৰণৰ সৰ্বশ্ৰেষ্ঠ মান বৰ্তাই ৰাখিবলৈ আহ্বান জনাই। তেওঁ কয় যে, সাংসদসকলৰ কাৰ্য অকল ভাৰততে নহয় বৰং গোলকীয়ভাৱে পৰ্যবেক্ষণ কৰা হয় আৰু সাংসদসকলে মৰ্যাদা, শালীনতা আৰু শিষ্টাচাৰ প্ৰদৰ্শন কৰা উচিত। নিৰ্বাচিত প্ৰতিনিধি হিচাপে সদস্যসকলৰ ভূমিকাৰ কথা উল্লেখ কৰি শ্ৰীবিৰলাই কয় যে, ৰাজহুৱা সমস্যাসমূহ সমাধান কৰা আৰু প্ৰশাসনৰ বিষয় সন্দৰ্ভত চৰকাৰলৈ সু-বিবেচনাপূৰ্ণ পৰামৰ্শ আগবঢ়োৱাৰ ক্ষেত্ৰত সাংসদসকলৰ গুৰুত্বপূৰ্ণ দায়িত্ব আছে। প্ৰতিনিধিত্ব কৰা জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰাটো সাংসদসকলৰ দায়িত্ব আৰু সেয়েহে তেওঁলোকে জনসাধাৰণক প্ৰভাৱিত কৰা বিষয় সম্পৰ্কে আলোচনা কৰাৰ বাবে সদনৰ মঞ্চ ব্যৱহাৰ কৰা উচিত বুলি অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীবিৰলাই লগতে নতুন সদস্যসকলক দৃঢ়তাৰে নিজৰ দায়িত্ব গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কৈছে যে, ৱাকফ সংশোধনী বিধেয়ক ২০২৪ৰ পৰ্যালোচনাৰ বাবে গঠন কৰা যুটীয়া সংসদীয় সমিতিয়ে সংসদৰ শীতকালীন অধিৱেশনৰ প্ৰথম সপ্তাহৰ শেষৰ দিনটোৰ ভিতৰত লোকসভাত প্ৰতিবেদন দাখিল কৰিব। সামাজিক মাধ্যমযোগে শ্ৰীৰিজিজুৱে কয় যে, যুটীয়া সংসদীয় সমিতিয়ে এই বিষয়ত শুনানিৰ তাৰিখ প্ৰকাশ কৰিব। এই ক্ষেত্ৰত কেৱল মুছলমান লোকসকলেই নহয়, বৰঞ্চ ইতিবাচকভাৱে সমিতিৰ কাৰ্য প্ৰণালীত অংশগ্ৰহণ কৰিব বিচৰা যিকোনো সংগঠন আৰু ব্যক্তিক আদৰণি জনোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। বিধেয়কখনক ভৱিষ্যদৰ্শী বিধেয়ক বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে,

মুছলমান সম্প্ৰদায়ৰ কল্যাণৰ অৰ্থে চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, চৰকাৰে সংসদৰ বাজেট অধিৱেশনত ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ উত্থাপন কৰিছিল আৰু এই বিধেয়কখন অধিক বিচাৰ-বিবেচনাৰ বাবে যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰা হৈছে।

০০০০০

প্ৰাক্তন বিদেশ মন্ত্ৰী কে. নটৱৰ সিঙৰ যোৱানিশা দিল্লীৰ সমীপৰ গুৰুগ্ৰামত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯৩ বছৰ। প্ৰাক্তন বিদেশ মন্ত্ৰীগৰাকী দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰা মতে, নটৱৰ সিঙৰ অন্তিম সংস্কাৰ আজি দিল্লীত সম্পন্ন কৰা হ'ব। নটৱৰ সিঙে ৰাজস্থানৰ ভৰতপুৰ জিলাত ১৯৩১ চনত জন্মগ্ৰহণ কৰিছিল। তেওঁক ১৯৮৪ চনত পদ্মভূষণ সন্মানেৰে বিভূষিত কৰা হৈছিল। প্ৰাক্তন বিদেশ মন্ত্ৰীগৰাকীয়ে কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল।

০০০০০

বাংলাদেশৰ ৰাজধানী ঢাকা আৰু চট্টগ্ৰামত দেশখনৰ সংখ্যালঘু হিন্দু সম্প্ৰদায়ৰ হাজাৰ হাজাৰ লোকে কালি দ্বিতীয় দিনৰ বাবেও প্ৰতিবাদ অব্যাহত ৰাখে। এই প্ৰতিবাদী কাৰ্যসূচীৰ বাবে ঢাকাৰ শ্বাহবাগত ৩ ঘণ্টাৰো অধিক সময়ৰ বাবে যান-বাহনৰ চলাচল বন্ধ হৈ থাকে। প্ৰতিবাদকাৰীসকলে তেওঁলোকৰ ঘৰ, ব্যৱসায় আৰু মন্দিৰসমূহত দেশজুৰি চলা আক্ৰমণৰ পৰা সুৰক্ষাৰ দাবী কৰে। প্ৰতিবাদকাৰীসকলে সংখ্যালঘুৰ ওপৰত আক্ৰমণ চলোৱা লোকসকলৰ বিচাৰৰ বাবে বিশেষ ন্যায়ধিকৰণ গঠন, সংখ্যালঘুৰ বাবে সংসদত ১০ শতাংশ আসন সংৰক্ষণ আৰু সংখ্যালঘু সুৰক্ষা আইন প্ৰণয়নকে ধৰি বিভিন্ন দাবী উত্থাপন কৰে।

০০০০০

বাংলাদেশৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ অ'বেইদুল হাছানে  পদত্যাগ কৰিছে। মুখ্য ন্যায়াধীশগৰাকীয়ে ন্যায়পালিকৰ সংস্কাৰৰ দাবীত প্ৰতিবাদৰ জোৱাৰ উঠাৰ পৰিপ্ৰেক্ষিতত পদ ত্যাগ কৰিছে। বাংলাদেশৰ আইন, ন্যায় আৰু সংসদীয় পৰিক্ৰমা উপদেষ্টা প্ৰফেচাৰ আছিফ নজৰুলে সামাজিক মাধ্যম যোগে আইন মন্ত্ৰালয়ে মুখ্য ন্যায়াধীশগৰকাৰী পদত্যাগ পত্ৰ লাভ কৰা বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে পদত্যাগ পত্ৰখন প্ৰয়োজনীয় ব্যৱস্থাৰ বাবে ততালিকে ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰা হ'ব বুলি জানিবলৈ দিছে। ইয়াৰ পূৰ্বে শ্ৰীহাছানে মুখ্য ন্যায়াধীশৰ পদ ত্যাগ কৰাৰ কথা ঘোষণা কৰিছিল। বিদ্যাৰ্থী, অধিবক্তা আৰু অন্যান্যসকলে দিনৰ ১ বজাৰ ভিতৰত মুখ্য ন্যায়াধীশ আৰু ন্যায়ধীশসকলৰ পদত্যাগৰ দাবীত উচ্চতম ন্যায়ালয়ৰ চৌহদত কালি প্ৰতিবাদ সাব্যস্ত কৰিছিল।

০০০০০

পেৰিছ অলিম্পিকত ভাৰতৰ আনুষ্ঠানিক অভিযান মুঠ ৬টা পদকেৰে অন্ত পৰিছে। প্ৰতিযোগিতাৰ সামৰণিৰ পূৰ্বৰ দিনটোত কালি ভাৰতীয় মহিলা মল্লযোদ্ধা ৰিতিকা হুদা ৭৬ কিলোগ্ৰাম ওজন শাখাত কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। একেদৰে গল্ফত অদিতী অশোক আৰু দীক্ষা ডাগৰ পদকৰ দৌৰৰ পৰা বাহিৰ হৈছে।

০০০০০

ক্ৰীড়া চালিছী আদালতে আগশাৰীৰ ভাৰতীয় মল্লযোদ্ধা ৱিনেশ ফোগটক অযোগ্য ঘোষণা কৰা কাৰ্যৰ বিৰুদ্ধে দাখিল কৰা আৱেদনৰ ৰায় মঙলবাৰলৈ স্থগিত ৰাখিছে। নতুন সময়সীমা অনুসৰি আপোচ বিচাৰক ড০ এনাবেলে বেনেটে ১৩ আগষ্টত ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত ৰায়দান কৰিব। আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটী

এই গোচৰৰ এটা পক্ষ আৰু ভাৰতীয় অলিম্পিক সংস্থায়ো প্ৰভাৱিত পক্ষ হিচাপে গোচৰটোত জড়িত হৈছে। ৱিনেশ ফোগটে ৫০ কিলোগ্ৰাম ওজন শাখাৰ ছেমি ফাইনেলত জয়লাভ কৰাৰ পাছতহে ওজন ১০০ গ্ৰাম অধিক পোৱা গৈছিল বুলি উল্লেখ কৰি তেওঁক যুটীয়াভাৱে ৰূপৰ পদক প্ৰদান কৰিবলৈ আৱেদন জনাইছে। জ্যেষ্ঠ অধিবক্তা হৰিশ চালভেই ক্ৰীড়া চালিছী আদালতত  খেলুৱৈগৰাকীৰ হকে ওকালতি কৰিছে। গোচৰটোৰ শুনানি ইতিমধ্যে সম্পন্ন হৈছে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীয়ে অলিম্পিকৰ ব্যক্তিগত শিতানত সোণৰ পদক লাভ কৰা ভাৰতৰ প্ৰথমগৰাকী খেলুৱৈ অভিনৱ বিন্দ্ৰাক অলিম্পিক অৰ্দাৰ সন্মানেৰে বিভূষিত কৰিছে। পেৰিছত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীৰ ১৪২ সংখ্যক অধিৱেশনত কালি বিন্দ্ৰাক এই সন্মান প্ৰদান কৰা হয়। অলিম্পিক অৰ্দাৰ, অলিম্পিক আন্দোলনলৈ আগবঢ়োৱা অসাধাৰণ বৰঙণিৰ স্বীকৃতি স্বৰূপে প্ৰদান কৰা সৰ্বোচ্চ সন্মান। অভিনৱ বিন্দ্ৰাই ২০০৮ চনৰ বেইজিং অলিম্পিকত পুৰুষৰ ১০ মিটাৰ এয়াৰ ৰাইফল শিতানত সোণৰ পদক অৰ্জন কৰিছিল। এয়া আছিল অলিম্পিকৰ ইতিহাসত ব্যক্তিগত শিতানত ভাৰতৰ প্ৰথমটো সোণৰ পদক। ব্যক্তিগত শিতানত ডেৰশৰো অধিক পদক লাভ কৰা অভিনৱ বিন্দ্ৰা ভাৰতীয় খেল জগতৰ এটা চিৰ পৰিচিত নাম।

০০০০০

**সমাপ্ত**